জাতিৰ আৱেগ   সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com   e-paper : www.dainikjanambhumi.co.in   Dainik Janambhumi

ম বছৰ, সংখ্যা ১৫১ ● বৃহস্পতিবাৰ ● ২৪ মাঘ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Thursday February 8, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

## ৰীত
## তিবাদ

পতিৰ

ত অসম চৰকাৰৰ পৌৰ
ালকে ২০২৩ বৰ্ষৰ
ৰাজ্যৰ সকলো পৌৰ
কৰ্মীসকলৰ চাকৰি
ৰ বাবে পৌৰসভাৰ
সকলক লিখিত নিৰ্দেশ
উক্ত নিৰ্দেশ কাৰ্যকৰী
ৱালপাৰাৰ পৌৰপতি
২০২৩ বৰ্ষৰ ডিচেম্বৰ
সভাৰ চাফাই কৰ্মী
নায়। কিন্তু চৰকাৰী
ৱালপাৰা পৌৰসভাৰ
লকে কোনো ব্যৱস্থা
হৈ প্ৰতিবাদ সাব্যস্ত
য় হাতে হাতে প্লে'-
াৰ কাৰ্যালয়ৰ সন্মুখত
কৰ্মীসকলে প্ৰতিবাদৰ
নিয়মীয়া কৰাৰ ব্যৱস্থা
কলো গাড়ী চালকক
ৱলিত এখন স্মাৰক-
দান কৰে।

# কানৈ মহাবিদ্যালয়ত উচ্চ শিক্ষা বিভাগৰ অতিৰিক্ত মুখ্য সচিব

## মননশীল বক্তৃতা প্ৰদান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত আজি এক মননশীল বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন সমলে 'Future of Jobs and Education in an Era of Accelerating, Technological and Ecological Transformation' বিষয়ত খুব সুন্দৰ বক্তৃতা প্ৰদান কৰে। ঐতিহাসিক মহাবিদ্যালয়খনত পোন প্ৰথমবাৰৰ বাবে উপস্থিত হোৱা অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে অতি সাৱলীলভাৱে প্ৰযুক্তিৰ উত্তৰণৰ লগে লগে সমাজৰ প্ৰতিজন লোকে কেনেদৰে খাপ খাই জীয়াই থকা উচিত সেই বিষয়ে বিশ্লেষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ কয় যে প্ৰযুক্তিৰ উত্তৰণৰ লগে লগে নিজকে কেনেকৈ আগবঢ়াই নিব পাৰি সেই বিষয়ে নিজেই চিন্তা কৰাৰ প্ৰয়োজন। মহাবিদ্যালয়খনৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ৰশ্মি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলে গায়ন-বায়ন, এন চি চি কেডেটেৰে আগবঢ়াই আনে বিষয়াগৰাকীক। অধ্যক্ষ ড°



শশীকান্ত শইকীয়াই গামোচা, চেলেং চাদৰ, প্ৰশংসা পত্ৰ আৰু কিতাপৰ টোপোলাৰে তেওঁক আদৰণি জনায়। অনুষ্ঠানত কৰ্মচাৰী গোটৰ তৰফৰ পৰা বিষয়াগৰাকীক আদৰণি জনাই সভানেত্ৰী নমিতা শইকীয়া আৰু ফুলেশ্বৰ নেওগে। অনুষ্ঠানত অৰ্থনৈতিক বিভাগৰ মুৰব্বী ড° পাৰ্থ গাংগুলী, ড° মধুমিতা পুৰকায়স্থ, ড° ৰুবাব ফাটেমা নমামী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° চুলতানা হাজৰিকা, অধ্যাপিকা ড° মৰমী তালুকদাৰ, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীক চিচিবৰগাঁৱত বিপুল আদৰণি

লখিমপুৰ ঃ ষ্টাফ ৰিপ'টাৰ, ৭ ফেব্ৰুৱাৰী ঃ আজি গোঁগামুখৰ পৰা কাৰেং চাপৰিত অনুষ্ঠিত হোৱা নৱম মিচিং যুৱ মহোৎসৱলৈ যোৱা বাটত দিনৰ প্ৰায় আঢ়ৈ বজাত চিচিবৰগাঁৱত শ শ লোকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ফুলাম গামোচা, পুষ্পবৃষ্টিৰে বিপুল আদৰণি-সম্ভাষণ জনায়। চিচিবৰগাঁও উন্নয়ন সমিতি, চিচিবৰগাঁও উপ-জিলাৰ কাৰ্যালয় দাবী সমিতি, চিচিবৰগাঁও আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ হৈ মুখ্যমন্ত্ৰীলৈ চিচিবৰগাঁৱত উপ-জিলাৰ মুখ্য কাৰ্যালয় আৰু অনান্য কাৰ্যালয়সমূহ স্থাপনৰ বাবে আবেদন আৰু স্মাৰক-পত্ৰ প্ৰদান কৰে। দীৰ্ঘদিন ধৰি চিচিবৰগাঁৱৰ ৰাইজে উন্নয়নৰ স্বাৰ্থত আন্দোলন কৰি আহিছিল। চিচিবৰগাঁৱত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আদৰণি জনোৱা সময়ত সমৱেত ৰাইজে শ্ল'গান দি আকাশ-বতাহ কঁপাই তোলে।

## লুইতৰ উত্তৰপাৰত 'লখিমন কাৰ্চ্চ' উৎসৱ

বিহালী ঃ নিজা বাতৰি দিওঁতা, ৭ ফেব্ৰুৱাৰী ঃ পাহাৰে-ভৈয়ামে বসবাস কৰা সমগ্ৰ লখিমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে প্ৰতিটো লখিমন দ'ৱানত 'লখিমন কাৰ্চ্চ' উৎসৱ উৎসাহ-উদ্দীপনাৰে পালন কৰে। লখিমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ প্ৰচাৰ-সম্পাদক ৰামিন তিমুঙে জানিবলৈ দিয়া মতে, উত্তৰ লুইতপাৰত অৱস্থিত বিশ্বনাথ জিলাৰ বালিচাং, শামুকজুলি, নাহৰবাৰী, কলাপানী, তিনিসুঁতি, মোনাবাৰী গ্ৰাণ্ট, ভৰালীজুলি, চেৰেলীয়া, বিহমাৰী, চিৰাজুলি, কমাৰজুলি, উত্তৰ-কেঁকুৰিজান, লখিমপুৰ জিলাৰ চুৃাজুলি, কেৰেকজুলি, ঢেকীয়াজুলি আৰু অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ ককিলা, বালিজান আদিত লখিমন দ'ৱান চাৰিদিনীয়া কাৰ্যসূচীৰে অৰ্থাৎ ধৰ্মীয় ৰীতি-নীতি অনুসৰি অতি উলহ-মালহেৰে উদ্‌যাপন কৰে। আজি উৎসৱৰ শেষৰ দিনটোত বিভিন্ন খেল-ধেমালি, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি উৎসৱৰ সামৰণি পেলায়।